দেশ

সমষ্টি পুনৰ নির্ধাৰণ বিধেয়কক ডিএমকেৰ সমর্থন: ষ্টেলিনক তীব্ৰ কটাক্ষ বিজয়ৰ দল টিভিকেৰ

কেন্দ্ৰৰ সংশোধিত সমষ্টি পুনৰ নির্ধাৰণ প্ৰস্তাৱক ডিএমকেয়ে সমর্থন জনোৱাৰ পাছতে মুখ্যমন্ত্ৰী এম কে ষ্টেলিনক তীব্ৰ সমালোচনা কৰে বিজয়ৰ দল টিভিকেয়ে।

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, আবেলি ৫:২১ আপডেট: ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:০৭



TVK targets Stalin after DMK backs revised delimitation proposal (NewzNow Graphic)

চেন্নাই: কেন্দ্ৰৰ সংশোধিত Delimitation প্ৰস্তাৱক সমর্থন কৰাৰ সিদ্ধান্তক লৈ তামিলনাড়ুৰ ৰাজনীতিত নতুন বিতর্কৰ সূচনা হৈছে। বিৰোধী দল DMK-এ কেন্দ্ৰৰ প্ৰস্তাৱিত সমষ্টি পুনৰ নির্ধাৰণ বিধেয়কক সমর্থন কৰাৰ পাছতে মুখ্যমন্ত্ৰী চি. জোছেফ বিজয়ৰ দল Tamilaga Vettri Kazhagam (TVK)-এ দলটোৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী এম কে ষ্টেলিনক তীব্ৰ কটাক্ষ কৰিছে।

TVKৰ IT শাখাই ছ’চিয়েল মিডিয়াত ষ্টেলিনৰ এখন বিকৃত ছবি প্ৰকাশ কৰে, য’ত তেওঁক RSSৰ পোছাক পৰিধান কৰা অৱস্থাত দেখুওৱা হৈছে। ছবিখনৰ সৈতে লিখা হৈছে—‘Stalin, aka Savarkar 2.0’। আন এখন এনিমেটেড ছবিত ষ্টেলিন আৰু তেওঁৰ পুত্ৰ উদয়নিধি ষ্টেলিনক RSSৰ সদস্য হিচাপে শপত গ্ৰহণ কৰা অৱস্থাত দেখুওৱা হৈছে। পোষ্টটোত কটাক্ষ কৰি লিখা হয়—‘The moment they turned completely Sanghi!’

© 2026 NewzNow

এই ৰাজনৈতিক আক্ৰমণৰ মূল কাৰণ হৈছে Delimitation সন্দৰ্ভত DMKৰ শেহতীয়া স্থিতি। পূৰ্বে কেন্দ্ৰৰ প্ৰস্তাৱিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিৰোধিতা কৰি অহা দলটোৱে এইবাৰ সংশোধিত প্ৰস্তাৱক সমৰ্থন কৰাৰ সিদ্ধান্ত লৈছে। DMKৰ উপ-সাধাৰণ সম্পাদক তথা সাংসদ এ ৰাজাই প্ৰকাশ কৰা অনুসৰি, নতুন প্ৰস্তাৱত সকলো ৰাজ্যতে লোকসভাৰ আসনৰ সংখ্যা ৫০ শতাংশ বৃদ্ধিৰ ব্যৱস্থা ৰখা হৈছে।

DMKৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে এই সিদ্ধান্তক তামিলনাড়ুৰ দীৰ্ঘদিনীয়া সংগ্ৰামৰ সফলতা বুলি অভিহিত কৰিছে। তেওঁৰ মতে, নতুন প্ৰস্তাৱে দলটোৰ দুটা মূল দাবী পূৰণ কৰিছে। প্ৰথমতে, সমষ্টি পুনৰ নিৰ্ধাৰণৰ ক্ষেত্ৰত শেহতীয়া জনসংখ্যাৰ পৰিৱৰ্তে ১৯৭১ চনৰ লোকপিয়লক ভিত্তি হিচাপে ৰখা হৈছে। দ্বিতীয়তে, লোকসভাৰ আসন ৫০ শতাংশ বৃদ্ধি কৰিলেও ৰাজ্যসমূহৰ মাজত বৰ্তমানৰ প্ৰতিনিধিত্বৰ অনুপাত অক্ষুণ্ণ ৰখাৰ ব্যৱস্থা কৰা হৈছে।

ষ্টেলিনৰ দাবী অনুসৰি, ইয়াৰ ফলত তামিলনাড়ুৰ লোকসভাৰ আসনৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে সংসদত ৰাজ্যখনৰ বৰ্তমানৰ ৭.১৮ শতাংশ প্ৰতিনিধিত্বৰ অংশও সুৰক্ষিত থাকিব। এই ব্যৱস্থাই পৰৱৰ্তী ২৫ বছৰৰ বাবে তামিলনাড়ুৰ ৰাজনৈতিক স্বাৰ্থ ৰক্ষা কৰিব বুলিও তেওঁ মত প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, এপ্ৰিল মাহত কেন্দ্ৰৰ পূৰ্বৰ Delimitation-সম্পৰ্কীয় সংবিধান সংশোধনী বিধেয়কৰ বিৰোধিতা কৰিছিল DMK-এ। সেই বিধেয়কখন লোকসভাত পৰাস্ত হৈছিল। কিন্তু সংশোধিত প্ৰস্তাৱত নিজৰ দাবীসমূহৰ প্ৰতিফলন ঘটাৰ যুক্তি দি এইবাৰ সমৰ্থনৰ সিদ্ধান্ত লৈছে দলটোৱে।

মন কৰিবলগীয়া যে, বৰ্তমান তামিলনাড়ুত TVKৰ চৰকাৰ আৰু চি. জোছেফ বিজয় মুখ্যমন্ত্ৰী DMK এতিয়া বিৰোধী শিবিৰত। সেয়ে মুখ্যমন্ত্ৰী বিজয়ৰ দলৰ এই আক্ৰমণ কেৱল সামাজিক মাধ্যমৰ কটাক্ষতে সীমাবদ্ধ নহয়; ইয়াৰ মাজেৰে ৰাজ্যখনৰ নতুন শাসক দল আৰু প্ৰাক্তন শাসক দলৰ মাজৰ ৰাজনৈতিক সংঘাতো প্ৰতিফলিত হৈছে।

DMK-এ নতুন প্ৰস্তাৱক তামিলনাড়ুৰ প্ৰতিনিধিত্ব সুৰক্ষিত কৰাৰ সফলতা হিচাপে ব্যাখ্যা কৰিছে। আনহাতে, TVK-এ পূৰ্বৰ বিৰোধিতাৰ পাছত সমৰ্থন আগবঢ়োৱাৰ সিদ্ধান্তক লৈ ষ্টেলিনক ৰাজনৈতিকভাৱে আক্ৰমণ কৰিছে।

এতিয়া Delimitationক লৈ তামিলনাড়ুৰ ৰাজনীতিত মূল বিতৰ্ক হৈছে—DMKৰ এই স্থিতি ৰাজ্যখনৰ স্বাৰ্থ সুৰক্ষাৰ বাস্তৱিক সিদ্ধান্ত, নে পূৰ্বৰ ৰাজনৈতিক অৱস্থানৰ পৰা এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন? এই প্ৰশ্নক কেন্দ্ৰ কৰিয়েই বিজয়ৰ TVK আৰু ষ্টেলিনৰ DMKৰ মাজৰ ৰাজনৈতিক বাকযুদ্ধ অধিক তীব্ৰ হৈ পৰিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7288/dmk-delimitation-bill-support-tvk-attack